# নৱজ্যোতি মহাবিদ্যালয়ৰ এন.এছ.এছৰ উদ্যোগত স্বচ্ছতা অভিযান




**গণ বাৰ্তা, কলগাছিয়া, ২৩ নৱেম্বৰ ঃ** নৱজ্যোতি মহাবিদ্যালয়ত এন.এছ.এছ গোটৰ উদ্যোগত আজি এক স্বচ্ছতা অভিযানৰ আয়োজন কৰা হয়। এন.এছ.এছৰ সংকেতিক ধ্বনিৰে আৰম্ভ হোৱা অনুষ্ঠানটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ছাহজাহান আলি আহমেদে উদ্বোধন কৰে। উদ্বোধনী ভাষনত ড০ আহমেদে এন.এছ.এছৰ স্বেচ্ছাসেৱক সকলক ব্যক্তি,পৰিয়াল আৰু সমাজলৈ দায়িত্ব আৰু কৰ্তব্য পালন কৰিবলৈ আহ্বান জনায়। প্ৰায় ৯০ জন এন.এছ.এছৰ স্বেচ্ছাসেৱক,মহাবিদ্যালয়ৰ অধ্যাপক,অধ্যাপিকা,কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহন কৰা এই স্বচ্ছতা অভিযানৰ সজাগতমূলক অনুষ্ঠানটি আগুঁ ধৰে এন.এছ.এছৰ প্ৰগ্ৰাম অফিচাৰ তথা ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড০ ফখৰুল আলম আৰু ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপিকা কাবেৰী সোনোৱালে। অনুষ্ঠানৰ শেষত স্বেচ্ছাসেৱক তথা ছাত্ৰ-ছাত্ৰীলৈ পুৱাৰ আহাৰ বিতৰন কৰা হয়।

# বক্তৃতা প্ৰতিযোগিতা

**গণ বাৰ্তা, ছয়গাঁও, ২৩ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ ছয়গাঁৱত অহা ২৬ নৱেম্বৰৰ পৰাঅনুষ্ঠিত হ'ব লগা ঐতিহ্যমণ্ডিত ছয়গাঁও চম্পকনগৰ সৰ্বজনীন ৰাস মহোৎসৱৰ প্ৰস্তুতি পূৰ্ণদ্যমে চলিছে। মূল মণ্ডপৰ লগতে ৫০টা মণ্ডপত স্থাপন কৰিবলগা মৃন্ময় মূৰ্ত্তি সমূহ প্ৰাণৱন্ত কৰি তুলিবলৈ খনিকৰ সকল দিনে নিশাই ব্যাস্ত হৈ পৰিছে। ৰাস মহোৎসৱত নিয়মীয়াকৈ অনুষ্ঠিত হৈ অহা প্ৰতিযোগিতা সমূহৰ উপৰি এইবেলি শিশু কৃষ্ণ প্ৰদৰ্শন প্ৰতিযোগিতাৰ (৭ বছৰ অনুৰ্দ্ধৰ) লগতে ৬৬সংখ্যক বৰ্ষত পদাৰ্পণ কৰা ৰাস মহোৎসৱৰ মঞ্চত এইবেলি সাহিত্য বিভাগৰ নৱতম সংযোজন হ'ল মহাভাৰতৰ চৰিত্ৰভিত্তিক বক্তৃতা প্ৰতিযোগিতা। ৩০ নৱেম্বৰত আবেলি ৩ বজাত অনুষ্ঠিতব্য উক্ত বক্তৃতা প্ৰতিযোগিতাত উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব পাৰিব। ৫০০০, ৩০০০ আৰু ২০০০ টকাকৈ ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিজয়ীক পুৰস্কাৰ হিচাপে নগদ ধন প্ৰদান লগতে একোখনকৈ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ'ব বুলিও জনাইছে উদযাপন সমিতিয়ে। সৰ্বাধিক পাঁচ মিনিট সময় বক্তৃতাৰ বাবে নিৰ্ধাৰণ কৰা প্ৰতিযোগিতাখনত যথা সময়ত বাছনিত উঠা মহাভাৰতৰ যিকোনো এটা চৰিত্ৰ সন্দৰ্ভত বক্তৃতা প্ৰদান কৰিব লাগিব প্ৰতিযোগীয়ে। উল্লেখযোগ্য যে চৈতেলী আৰু ঘোষানাম প্ৰতিযোগিতাৰ উপৰি তিনি ডিচেম্বৰৰ সন্ধিয়া ৭.৩০ বজাত শিশু কৃষ্ণ প্ৰদৰ্শন প্ৰতিযোগিতাৰ পাছতেই উক্তদিনা নিশা ৯.৩০ বজাত দক্ষিণ কামৰূপ কুইজ ফ'ৰামৰ পৰিচালনাত মুকলি প্ৰশ্ন মঞ্চ অনুষ্ঠিত হ'ব। দুই ডিচেম্বৰৰ সন্ধিয়া ৭.৩০ বজাত কেলিগোপাল ভাওনা প্ৰদৰ্শন কৰা হ'ব বুলিও জানিবলৈ দিছে ছয়গাঁও চম্পকনগৰ সৰ্বজনীন ৰাস মহোৎসৱ উদযাপন সমিতিয়ে। উল্লেখযোগ্য যে মহাভাৰতৰ চৰিত্ৰভিত্তিক বক্তৃতা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব খোজা ইচ্ছুক প্ৰতিযোগীসকলে ৮৬৩৮০৭৬৮২২, ৯৭০৬৭৫২০৪৪, ৭০০২২১৯৭৭০ আগতীয়াকৈ যোগাযোগ কৰিব পাৰিব।